

৩.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ আহোম ভাষাৰ পৰা।

২ নং প্রশ্নৰ উত্তৰ ঃ হাইদাং গীত।

৩ নং প্রশ্নৰ উত্তৰ ঃ *হস্তীবিদ্যার্ণৱ।*

৪ নং প্রশ্নৰ উত্তৰ ঃ দ্রাবিড়ীয় দেৱতা।

৫ নং প্রশ্নৰ উত্তৰ ঃ আর্য, অনার্য আৰু দ্রাবিড়ীয় সংস্কৃতি।

৬ নং প্রশ্নৰ উত্তৰ ঃ ভঠেলি, দেউল, পাউৰাতোলা, সুঁৱেৰী, সুৰী ইত্যাদি।

৭ নং প্রশ্নৰ উত্তৰ ঃ সুকনান্নি ওজাপালি।

৮ নং প্রশ্নৰ উত্তৰ ঃ স্বর্গদেউ ৰুদ্রসিংহৰ।



৩.৭ আৰ্হি প্রশ্ন

বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ তলত দিয়া প্রশ্নসমূহৰ উত্তৰ লিখক—

ক) সমাহৰণ বুলিলে কি বুজে?

খ) পশুপতি দ্বিজে আৰু ৰামদ্বিজে ৰচনা কৰা *চন্দ্রাৱলী-কাব্য* আৰু *মৃগাৱতী চৰিতৰ* মূল বিষয়বস্তু কৰ পৰা আহৰণ কৰা?

প্রশ্ন ২ ঃ শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক—

ক) অসমৰ শৈৱধর্ম প্রাগার্য, আর্য, জনজাতীয় আৰু লোকায়ত সমলৰ সংমিশ্রত ৰূপ।

খ) অসমীয়া ৰিহা-মেখেলা আদিত ফুল বছা ক্ষেত্রত চীনা প্রভাৱ লক্ষণীয়।

চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ অসমৰ জনগাঁথনিত কেনেদৰে সমন্বয় সাধন হৈছে সেই বিষয়ে চমুকৈ লিখক।

প্রশ্ন ২ ঃ অসমৰ ধর্মৰ ক্ষেত্রত কেনেদৰে সমন্বয় সাধন হৈছে সেই বিষয়ে এটি টোকা প্রস্তুত কৰক।

প্রশ্ন ৩ ঃ অসমীয়া সাহিত্যত কেনেদৰে সমন্বয় সাধন হৈছে? আলোচনা কৰক।

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ অসমীয়া সংস্কৃতি সমন্বয় আৰু সমাহৰণত বিভিন্ন জাতি-জনজাতি আৰু থলুৱা উপাদান কেনেদৰে ৰক্ষিত হৈছে, আলোচনা কৰক।

প্রশ্ন ২ ঃ অসমীয়া সংস্কৃতি 'সমন্বয় আৰু সমাহৰণ সংস্কৃতি'— ব্যাখ্যা কৰক।

প্রশ্ন ৩ ঃ অসমীয়া সংস্কৃতিৰ কোনবোৰ দিশত সমন্বয় সাধন হৈছে বুজাই লিখক।

*** ***** ***